**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 21-03-2026 **Time :** 0755 Hrs.

## HEADLINES

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে আজি বিজেপিকে ধৰি কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, অসম গণ পৰিষদ, ইউ পি পি এল, বি পি এফকে ধৰি কেইবাটাও ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

ৰাজ্যখনৰ প্ৰায় আটাইবোৰ জিলাৰ কেইবাটাও সমষ্টিত কালি ১০৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। এতিয়ালৈকে ১১৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। উল্লেখযোগ্য যে অহা ২৩ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন।

0000000

নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে কালি নিশা ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে চতুৰ্থখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক কে চি বেণুগোপাল স্বাক্ষৰিত তালিকা অনুসৰি জালুকবাৰী সমষ্টিত বিদিশা নেওগ, টংলাত ৰোহিত পাৰিগা, বিশ্বনাথত জয়ন্ত বৰা, নাওবৈচাত ড০ জয়প্ৰকাশ দাস, মাহমৰাত জ্ঞানদীপ মহন, তিতাবৰত প্ৰাণ কুৰ্মী আৰু হাইলাকান্দি সমষ্টিত ৰাহুল ৰয়ক কংগ্ৰেছৰ প্ৰাৰ্থীত্ব দিয়া হৈছে। একেখন তালিকাতে কংগ্ৰেছে ১১ টা সমষ্টিক বিৰোধী ঐক্যৰ সহযোগী ৰাইজৰ দলক প্ৰতিদ্বন্দ্বিতাৰ বাবে দিছে। ৰাইজৰ দলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলগীয়া সমষ্টিকেইটা হৈছে- মানস, দলগাঁও, ধিং, কলিয়াবৰ, তেজপুৰ, চিচিবৰগাঁও, মাৰ্ঘেৰিটা, ডিগবৈ, শিৱসাগৰ, মৰিয়নি আৰু বোকাখাট। আনহাতে ৰাইজৰ দলে কালি শিৱসাগৰ সমষ্টিৰ প্ৰাৰ্থী হিচাপে অখিল গগৈৰ নাম উল্লেখ কৰি এখন এজনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে।

0000000

বিধানসভা নিৰ্বাচনৰ বাবে তৃণমূল কংগ্ৰেছে কালি প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। ১৭ জনীয়া প্ৰাৰ্থী তালিকা অনুসৰি বাওখাংগ্ৰি সমষ্টিত উদাংশ্ৰী নাৰ্জাৰী, বিলাসীপাৰাত মমিনুৰ ইছলাম, জলেশ্বৰত আৰিফ আখটাৰ আহমেদ, অভয়াপুৰীত কৌশিক ৰঞ্জন দাস, বজালীত কল্যাণী কলিতা, চমৰীয়াত দুলু আহমেদ, বকো-ছয়গাঁৱত ভোগলাল ৰাভা, পলাশবাৰীত বিকাশ নাথ যোগী, বৰক্ষেত্ৰীত আমিৰুল ইছলাম, গোৰেশ্বৰত ৰঞ্জন চৌহান, মঙলদৈত হৰেকৃষ্ণ ডেকা, ধেমাজিত নৰেন্দ্ৰ কুমাৰ পাও, ডিগবৈত জীতেন নাগ, মাকুমত দিলীপ মৰাণ, উদাৰবন্দত তপন দাস, কাতিগড়াত ফজলুৰ ৰহমান লস্কৰ আৰু সোণাইত চাহজাহান লস্কৰক প্ৰাৰ্থীত্ব দিয়া হৈছে।

0000000

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলাৰ সাধাৰণ পৰ্যবেক্ষকদ্বয় হিমশেখৰ গুপ্তা আৰু প্ৰদীপ কৃষ্ণাৰাও দাংগেই কালি মহানগৰীৰ বেটকুছিৰ মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰ পৰিদৰ্শন কৰে। এই দুয়োগৰাকী পৰ্যবেক্ষকৰ লগত আৰক্ষী পৰ্যবেক্ষক আছলাম খান আৰু ব্যয় পৰ্যবেক্ষকদ্বয় ৰত্ন প্ৰকাশ তথা

ৰজত সেনো উপস্থিত থাকে। নিৰ্বাচনৰ সময়ত ব্যৱহাৰ হ'বলগীয়া ষ্টং ৰূমকে ধৰি ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ যাৱতীয় দিশসমূহ পৰ্যবেক্ষকগৰাকীয়ে পৰ্যালোচনা কৰে। এই পৰিদৰ্শনকালত কামৰূপ মহানগৰৰ জিলা নিৰ্বাচনী বিষয়া স্বপ্নীল পাল উপস্থিত থাকে।

নিৰ্বাচন আয়োগে জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দৰং নিৰ্বাচনী জিলাৰ অধীনৰ সকলো কাৰ্যালয়ৰ মুৰব্বী, পি এছ ইউ, বেংক কৰ্তৃপক্ষক নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত ৰবিবাৰ আৰু ঘোষিত ছুটিৰ দিনতো কাৰ্যালয় খোলা ৰাখিবৰ বাবে দৰং জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত আয়ুশী জৈনে জাৰি কৰা এই নিৰ্দেশনা দেশৰ নিৰ্বাচন আয়োগৰ সামগ্ৰিক তত্বাৱধান, দিশ নিৰ্দেশ আৰু নিয়ন্ত্ৰণৰ অধীনত বলবৎ কৰা হৈছে। ইয়াৰ লগতে তেনেধৰণৰ বন্ধৰ দিনবোৰত অন্তত এজন কাৰ্যালয় সহায়ক আৰু এজন চতুৰ্থবৰ্গৰ কৰ্মচাৰী কাৰ্যালয়ত উপস্থিত থকাতো নিশ্চিত কৰিব লাগিব। এই নিৰ্দেশনা উলংঘন হ'লে বা পালন কৰাত ব্যৰ্থ হলে সংশ্লিষ্ট চৰকাৰী বিষয়া, কৰ্মচাৰীৰ বিৰুদ্ধে নিৰ্বাচন আয়োগৰ পৰামৰ্শ অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা আয়ুক্তৰ নিৰ্দেশনাত উল্লেখ আছে।

০০০০০০০

লখিমপুৰ জিলাৰ বিভিন্ন মহাবিদ্যালয়ত কালি নিৰ্বাচনী সজাগতা সন্দৰ্ভত বিশেষ অভিযান চলোৱা হয়। এই অভিযানৰ অধীনত সমাগত বিধানসভা নিৰ্বাচনৰ জনসাধাৰণৰ অধিক অংশগ্ৰহণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে তেওঁলোকক সজাগ কৰাৰ দিশত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০০০০

টীয়ক আৰু যোৰহাট বিধানসভা সমষ্টিৰ বাবে নিয়োজিত সাধাৰণ পৰ্যবেক্ষক, ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া শিল্পা প্ৰভাকৰ সতীশে কালি টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন ভোটকেন্দ্ৰ পৰিদৰ্শন কৰাৰ লগতে নিৰ্বাচনী প্ৰস্তুতিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনকালত পৰ্যবেক্ষকগৰাকীয়ে ভোটদাতাসকলৰ সুবিধাৰ্থে ভোটকেন্দ্ৰসমূহত থকা মৌলিক সা-সুবিধা, নিৰাপত্তা ব্যৱস্থা আৰু অন্যান্য প্ৰয়োজনীয় দিশসমূহ পৰ্যবেক্ষণ কৰে।

ইয়াৰ লগতে বিধানসভা সমষ্টি দুটাৰ বাবে নিয়োজিত ব্যয় পৰ্যবেক্ষক জ্যোতি কিৰণেও কালি সমষ্টি দুটাৰ অন্তৰ্গত ষ্টেটিক ছাৰ্ভিলেন্স গোট থকা স্থানসমূহ পৰিদৰ্শন কৰি কাম-কাজৰ পৰ্যবেক্ষণ কৰে।

০০০০০০০

ৰাজ্যজুৰি আজি পৱিত্ৰ ঈদ-উল-ফিটৰ উলহ মালহেৰে পালন কৰা হৈছে। মাহ জোৰা উপবাসৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদ-উল-ফিটৰ পালনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ঈদ উপলক্ষে আজি ঈদগাহ আৰু মছজিদসমূহত পৱিত্ৰ নামাজৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ গাড়ীগাঁও ঈদগাহ ময়দান, জালুকাৰী, মাছখোৱা, ইছলামপুৰ, হাতীগাঁও-শিজুবাৰী ইদগাহ, পাঞ্জাবাৰী, দক্ষিণগাঁৱকে ধৰি বিভিন্ন ঈদগাহ-মছজিদসমূহত নামাজৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। শিলচৰ চহৰৰ মূল ঈদগাহ, ইটখোলা ঈদগাহত পুৱা ৯ বজাত সমূহীয়া নামাজৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সমগ্ৰ দেশৰাসীক ঈদ-উল-ফিটৰৰ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱে আত্ম নিয়ন্ত্ৰণ, সেৱা আৰু দৰিদ্ৰ তথা অৱহেলিত লোকসকলৰ প্ৰতি সহানুভূতিৰ বাৰ্তা প্ৰেৰণ কৰে। এই উৎসৱে প্ৰেম, ভাতৃত্ব আৰু শান্তিৰ বাৰ্তাও প্ৰেৰণ কৰে বুলি তেওঁ কয়।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাইয়ো ঈদ-উল-ফিটৰ উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীবিৰলাই এই পৱিত্ৰ উৎসৱে সকলোৰে বাবে সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ  ঈদৰ শুভেচ্ছা জনাইছে।

০০০০০০০

**সমাপ্ত**